প্ৰগতিশীল মহিলা আলোচনী

ISSN No. 2320-5261

# জোনাকী বাট

মার্চ, ২০১৫ বিশেষ সংখ্যা



স্মৃতিচাৰণ

ডঃ স্বৰ্ণলতা বৰুৱা



সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ ৰাজ্যিক সন্মিলনত ভাষণৰত অৱস্থাত ড° স্বৰ্ণলতা বৰুৱা।

*বিশিষ্ট বুৰঞ্জীবিদ, অধ্যাপিকা ড° স্বৰ্ণলতা বৰুৱাৰ যোৱা ৩ জানুৱাৰীত ডিব্ৰুগড়ত দেহাৰসান ঘটে। তেখেত জোনাকী বাটৰ লগত ঘনিষ্ঠভাৱে যুক্ত আছিল আৰু জোনাকী বাটৰ পাতত প্ৰবন্ধ-পাতি লিখাৰ উপৰিও বিভিন্ন সময়ত বহুমূলীয়া দিহা-পৰামৰ্শ আগবঢ়াইছিল। জোনাকী বাটৰ তৰফৰ পৰা ড° স্বৰ্ণলতা বৰুৱালৈ গভীৰ শ্ৰদ্ধা জনাই জোনাকী বাটৰ এই সংখ্যাত তেখেতৰ স্মৃতিত কেইটামান লেখা প্ৰকাশ কৰা হ'ল।*

*(ভিতৰত ২৩—৩২ পৃষ্ঠা চাওক)*

# ড° স্বৰ্ণলতা বৰুৱাক যিদৰে জানিছিলো

❑ অঞ্জু বৰকটকী

ড° স্বৰ্ণলতা বৰুৱা সদৌ অসম প্ৰগতিশীল নাৰী সন্থা আৰু 'জোনাকী বাট'ৰ লগত এক দীঘলীয়া সময়ৰ বাবে অতি ঘনিষ্ঠভাৱে জড়িত আছিল। যোৱা ৩ জানুৱাৰী, ২০১৫ তাৰিখে তেখেতে দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত মৃত্যুবৰণ কৰে। মৃত্যুৰ প্ৰায় এবছৰমান আগতে আমি (মই আৰু সুদক্ষিণা দাস) তেখেতৰ সম্পৰ্কত এক সম্বৰ্ধনা গ্ৰন্থ প্ৰকাশৰ কথা ভাবি ড° নগেন শইকীয়া চাৰ আৰু ড° ডম্বৰুধৰ নাথ চাৰৰ লগত কথা-বতৰা পাতিছিলো। সেই ধৰণে কেইটিমান লিখনীও সংগ্ৰহ হৈছিল। কিন্তু বিভিন্ন কাৰণত উক্ত কাম হৈ নুঠিল। বাইদেউৰ মৃত্যুৰ পিছত 'জোনাকী বাটে' তেখেতলৈ শ্ৰদ্ধা জনাই মাৰ্চ ,২০১৫ ৰ সংখ্যাটো তেখেতৰ স্মৃতিত উলিয়াবলৈ সিদ্ধান্ত কৰাৰ হেতুকে ইতিমধ্যে সংগৃহীত লিখা কেইটা প্ৰকাশৰ বাবে দিয়া হ'ল।

স্বৰ্ণলতা বাইদেউৰ জীৱন পৰিক্ৰমা, তেখেতৰ মেধা, পাৰদৰ্শিতাৰ সম্পৰ্কত উক্ত লিখনী কেইটাত সুন্দৰভাৱে প্ৰকাশ পাইছে। গেইটৰ বুৰঞ্জীৰ পিছতে অসমৰ এক পূৰ্ণাঙ্গ বুৰঞ্জী প্ৰণেতা প্ৰথম গৰাকী মহিলা ইতিহাসবিদক অসমৰ ৰাইজ, চৰকাৰ কোনেও কৃতজ্ঞতাৰ চিনস্বৰূপে, তেখেতৰ মেধাৰ স্বীকৃতিত একো বঁটা বাহন নিদিলে। আজিৰ বঁটা বাহনৰ ব্যাপকতাৰ মাজত ই সঁচাই দুখৰ বিষয়। আমাৰ পুৰুষতান্ত্ৰিক সমাজৰ এগৰাকী নাৰী হিচাপে বাইদেউৰে পিতৃগৃহত বা স্বামী গৃহত কোনো ধৰণৰ বৈষম্যৰ বলি হোৱা নাছিল। তৎসত্ত্বেও কিন্তু তেখেত নাৰীৰ সামাজিক অৱস্থান আৰু নাৰীৰ প্ৰাপ্য অধিকাৰ সম্পৰ্কত সম্পূৰ্ণ সচেতন আছিল। তেখেতে তথাকথিত পৰম্পৰাগত দৃষ্টিভঙ্গীৰে ইতিহাস অধ্যয়ন কৰা নাছিল, তেখেতে ইতিহাস অধ্যয়ন কৰিছিল ৰাইজক কেন্দ্ৰ বিন্দু কৰি। লক্ষ্য কৰা যায় যে তেখেতে সমাজৰ দলিত শ্ৰেণীৰ ইতিহাসৰ প্ৰতি যথেষ্ট আগ্ৰহী আছিল। কছাৰী, চুতীয়া, আহোম, মৰাণ, মটক এই প্ৰান্তীয় জনগোষ্ঠীসমূহ তেখেতৰ অধ্যয়নৰ বিষয় আছিল। একেদৰে আমাৰ সমাজৰ প্ৰান্তীয় অংশ (Marginalised Section) নাৰীও আছিল তেখেতৰ অধ্যয়নৰ বিষয়। সেয়ে অশেষ ব্যস্ততাৰ মাজতো তেখেত যুক্ত হৈছিল 'জোনাকী বাট' (তেতিয়াৰ 'আইদেউৰ জোনাকী বাট')ৰ লগত, নাৰী অধ্যয়ন কেন্দ্ৰৰ লগত, দায়িত্ব লৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ "প্ৰফেশ্যনেল উইমেন ফ'ৰাম"ৰ আৰু সদায়েই জীৱন্ত সম্পৰ্ক ৰাখিছিল 'সদৌ অসম প্ৰগতিশীল নাৰী সন্থা'ৰ সৈতে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'অনিৰুদ্ধদেৱ আসন'ৰ প্ৰাধ্যাপিকা ৰূপে অতি নিষ্ঠাৰে কৰ্ম সম্পাদন কৰা বাইদেউৰ বহু কেইখন মৌলিকগ্ৰন্থৰ লগতে বহুকেইখন সম্পাদিত গ্ৰন্থই অসমৰ ইতিহাসক সমৃদ্ধ কৰিছে। তেখেতৰ থেছিছখন "Last Days of Ahom Monarchy" নামেৰে গ্ৰন্থৰূপে প্ৰকাশ পায়। তেখেতৰে কেইটিমান উল্লেখযোগ্য ভাষণ আছিল Indian History Congress (Mediaval Period)ৰ সভাপতিৰ ভাষণ, North East History Association ৰ সভাপতিৰ ভাষণ, সাধনী মেম'ৰিয়েল ভাষণ ইত্যাদি। তেখেতৰ সম্পাদনাত প্ৰকাশ পোৱা গ্ৰন্থৰ ভিতৰত আছে- Status of women in Non Tribal Society, Life and Teachings of Sri Sri (২৫ পৃষ্ঠাত চাওক)

প্ৰকাশৰ ৩৩ বছৰ

# জোনাকী বাট

১১শ বছৰ ■ ২য় সংখ্যা ■ মাৰ্চ,২০১৫

সম্পাদনা উপদেষ্টা
*ড° অনিমা গুহ*

সম্পাদিকা
*জুনু বৰা*
(অবৈতনিক)

সম্পাদনা সহযোগী
*ৰাজু বৰুৱা*
*অঞ্জু বৰকটকী*
(অবৈতনিক)

বেটুপাত পৰিকল্পনা ঃ *পদ্ম সিংহ*
আলোক চিত্ৰ ঃ *ঋত্বিক*

ঠিকনা ঃ
অনিল ভৱন,
সাগৰিকা পথ,
ৰাধাগোবিন্দ বৰুৱা পথ
গুৱাহাটী- ৭৮১০২৪
ফোন ঃ ৯৪৩৫১৪৫৮৮৯
*e-mail :*
jonakibat83@gmail.com
jonakibat@yahoo.co.in

ছপা ঃ স্বৰাজকম্পু প্ৰিন্ট,
দক্ষিণ শৰণীয়া,
গুৱাহাটী-৭

মূল্য ঃ ২০ টকা

## সূচীপত্ৰ

সম্পাদকীয় ৪

❑ *আলোচনা/ নিবন্ধ /পৰ্যবেক্ষণ ঃ*

সাৰ্বভৌম সমাজতান্ত্ৰিক ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ
● *ড° অনিমা গুহ* ৫

সাধাৰণ মানুহৰ সুৰক্ষা ● *গীতা উপাধ্যায়* ৭

উন্মোচিত হ'ল সেনা জোৱানৰ চৰম বৰ্বৰতা ● *জুনু বৰা* ১০

'লাভ জেহাদ'ৰ পৰা 'কিচ অব লাভ'লৈ ● *পৰ্যবেক্ষক* ১২

সব কা সাথ সবকা বিকাশ ● *বিশ্বজিৎ চক্ৰৱৰ্তী* ১৫

আন্তৰ্জাতিক নাৰী দিৱস আৰু নাৰীৰ আজিৰ অৱস্থা ১৬

আশা, অংগনৱাড়ী আৰু মধ্যাহ্ন ভোজন কৰ্মীৰ বিলৈ
● মৃণালী দেৱী ১৭

বিজ্ঞানসন্মত দৃষ্টিভংগী আৰু সংগঠিত প্ৰচেষ্টা
● *ৰাজু বৰুৱা* ৩৩

অসমীয়া প্ৰবচনত নাৰী ● *ড° অনুৰাধা শৰ্মা* ৩৭

সন্ত্ৰাসবাদ আৰু সাম্প্ৰদায়িকতাবাদ ● *মনোমতী কুৰ্মী* ৪৩

বিবাহ প্ৰসঙ্গত ● অনুবাদ ঃ *অঞ্জনা চৌধুৰী* ৪৪

উপনিৱেশ, সংস্কাৰ আন্দোলন আৰু সবলা নাৰী
● *ড° সাবিত্ৰী শইকীয়া বৰুৱা* ৪৭

❑ *স্মৃতিচাৰণ ড° স্বৰ্ণলতা বৰুৱা ঃ*

● *অঞ্জু বৰকটকী (পৃ. ২)* ● *ড° অপৰ্ণা মহন্ত (পৃ. ২৩)*
● *ড° সৃষ্টিধৰ দত্ত (পৃ. ২৬)* ● *লুহী দত্ত শইকীয়া (পৃ. ২৮)*
● *ডা° বিজয়া দত্ত (ছোনু) (পৃ. ৩০)* ● *ড° বিভা বৰা (পৃ. ৩১)*

❑ *গতি-বিধি ঃ* মহিলাৰ গৰ্ভক লৈ ৰাজনীতি ১৮

❑ *প্ৰতিবেদন ঃ* বাতাসীপুৰৰ দুৰ্গত আদিবাসী ৰাইজৰ কাষত

❑ কবিতা ঃ ● *ড° জয়জ্যোতি গোস্বামী* ● *শিউলি গুহ*
● *ৰীতামণি বৰদলৈ* ● *মৃদুল কুমাৰ চহৰীয়া*
● *নাৰায়ণ গোস্বামী* ● *মামণি বৰা* ২০

❑ *গল্প ঃ* বোধন
● মূলঃ জয়ন্তী চট্টোপাধ্যায় ।।অনুবাদ ঃ *চেনিচম্পা মহন্ত* ৪১

❑ *সংস্কৃতি*

ধৰ্মান্ধতাৰ বিৰুদ্ধে ব্যঙ্গাত্মক ছবি ● *দিলীপ গোস্বামী* ৫১

❑ বা-বাতৰি ❑ প্ৰাসঙ্গিক ❑ গ্ৰন্থ ❑ সোঁৱৰণ আদি

# উপনিবেশ, সংস্কাৰ আন্দোলন আৰু সবলা নাৰী

❑ ড° সাবিত্ৰী শইকীয়া বৰুৱা

(যোৱা সংখ্যাৰ পিচৰ পৰা)

## পৰ্দাপ্ৰথা ৰোধৰ প্ৰচেষ্টা ঃ

পৰ্দা প্ৰথাৰ দৰে নাৰীৰ শৰীৰ-মনৰ অৱৰোধপদ্ধতিৰ বিৰোধিতা কৰি সংস্কাৰ আন্দোলনৰ পুৰোধা ব্যক্তিসকলে ইয়াক নিৰ্মূল কৰাৰ বাবে সৰ্বব্যাপি আহ্বান জনাইছিল। ১৯২৯ চনত সৰ্বভাৰতীয় নাৰী শিক্ষা সন্মিলনত মহামান্যা বৰোদাৰ মহাৰাণীয়ে দিয়া ভাষণত কয়— 'সামাজিক জীৱনৰ অৱস্থা উন্নত কৰাত যদি নাৰীসকলে অংশ ল'ব লাগে, যদি তেওঁলোকৰ কৰ্তব্য আৰু দায়িত্ব বুজিব লাগে, তেনেহ'লে পৰ্দাপ্ৰথা নিশ্চয় আঁতৰাব লাগিব।'

কেৱল ইচলাম পন্থীয়েই নহয়, হিন্দু পন্থীৰ মাজতপৰ্দা প্ৰথাৰ বিৰোধিতাতো কোৱা হৈছিল— 'স্বাভাৱিকতেই সজাগ বুদ্ধি-বৃত্তি নিষ্ক্ৰিয়তাৰ ফলত নিৰ্বোধ হৈ পৰা, দৃষ্টিশক্তিক উদ্ভাসিত কৰি তোলা, জ্ঞানৰ পৰা বঞ্চিত অজ্ঞান আৰু কুসংস্কাৰ সমাচ্ছন্ন, অন্ধকাৰত খেপিয়াই ফুৰা, জন্ম লোৱা সমাজখনৰ প্ৰচলিত প্ৰথাৰ ছহিদ নাৰী দোষী সাব্যস্ত হৈ গোটেই জীৱনেই বন্দীশালত পৰি আছে।

এইক্ষেত্ৰত বিংশশতিকাৰ দ্বিতীয় দশকৰ এগৰাকী পথিকৃৎ মুছলিম নাৰী বেগম ৰোকেয়া সামাওয়াৎ হুছেইনে পাৰম্পৰিক পৰ্দা খুলি ওলাই আহিছিল। কেৱল ধৰ্মশিক্ষাৰ পৰিৱৰ্তে মুছলিম নাৰীৰ শিক্ষাৰ আধুনিকীকৰণ, পৰ্দা প্ৰথাক অজ্ঞানতা আৰু জড়তাৰ মোহৰ উচ্ছেদ, পুৰুষশাসিত সমাজ ব্যৱস্থা আৰোপিত বন্ধনবোৰ ছিন্ন কৰাৰ দাবীত তেওঁ যুঁজিছিল। বিংশৰ (১৯২৫) তৃতীয় দশকত বিদ্ৰোহিনী চন্দ্ৰপ্ৰভাই নগাঁও সাহিত্য সভাত মহিলাসকলক বাঁহৰ চিকৰ পৰ্দাৰ আঁৰত সাহিত্য শুনাওঁতে প্ৰতিবাদ কৰি কৰ্মকৰ্তালৈ তীক্ষ্ণ বাক্যবাণ নিক্ষেপ কৰিছিল— 'জাতিৰ আধা অংশক চিকৰ আঁৰত ৰাখি আমি সমাজৰ কল্যাণৰ কাৰণে কি সাহিত্যৰ সৃষ্টি কৰিম?' তাৰ পিছত আইসকললৈ উদ্দেশ্যি আহ্বান জনালে— 'আপোনালোকৰ আত্মসন্মানে এনেদৰে পিজৰাৰ ভিতৰত বন্দী হৈ থাকিবলৈ লাজ পোৱা নাইনে? সিংহিনীৰ দৰে চিক ভাঙি ওলাই নাহে কিয়?' লগেলগে ওলাই আহিছিল অজস্ৰ নাৰী। নাৰী টুকুৰা টুকুৰ কৰি চিক ভাঙি হাজাৰ হাজাৰদৰ্শকৰ হাত চাপৰিৰে মুখৰ হৈ উঠিছিল সভা।

অসমত পৰ্দা প্ৰথাৰ প্ৰচলন ব্যাপক নহয় যদিও নলিনীবালা দেৱীয়ে তেওঁৰ আত্মজীৱনীত 'চৌধুলী লোৱা' প্ৰথাৰ উল্লেখ কৰাৰ্লে চাই অভিজাত শ্ৰেণীৰ মাজত প্ৰচলিত অৱৰোধ প্ৰথাটোৰ বিষয়ে কিছু জানিব পাৰি।'

পূৰ্বতে উল্লেখ কৰাৰ দৰে এই প্ৰথা সম্ভ্ৰান্ত বংশৰ মহিলাৰ সমাজত হৈছিল।

এইক্ষেত্ৰত সমাজসেৱিকা, স্বাধীনতা আন্দোলনৰ নেত্ৰী পুষ্পলতা দাসে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নগাঁও সাহিত্য সভাত দিয়া তেজাল ভাষণৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰে এনেদৰে— "এই পৰ্দাপ্ৰথা পুৰণি অসমৰ প্ৰথা নাছিল বিদেশী আক্ৰমণৰ পিছত অভিজাত সুলভ প্ৰথা বুলি কিছুমানে গ্ৰহণ কৰিছিল। এই ঘটনাৰ পিছত অসমৰ পৰা চিকপ্ৰথা উঠি যায়। ইয়াত চিকপ্ৰথাক পৰ্দা প্ৰথাৰে অন্য ৰূপ এটিকে বুজোৱা হৈছে।"

## ৰাজনীতিত নাৰীৰ যোগদান ঃ

ঋকবেদৰ উপমাত ঋতুযুক্ত তিনিজনী নাৰী দিনত তিনিবাৰ সভাত আগমন কৰা, সভাত থকা নাৰীয়ে সভাৰ উপযোগী বাক্য প্ৰয়োগ কৰাৰ (১/১৬৭/৩) উদাহৰণ পোৱা যায়। মুদ্‌গলিনী, বিশপলা, বধ্ৰিমতী, শয্যায়সী আদি ৰণাংগনাই যুদ্ধত আহত অথবা বিজনী হোৱাৰ উদাহৰণো ঋকত পোৱা যায়। ৰাজনীতি সংক্ৰান্ত ভিন্ন বিষয়ত নহ'লেও এই দুই দিশত নাৰীৰ যোগদান ঋকবেদত বিদ্যমান পৰৱৰ্তী উপনিষদ, পুৰাণ, মহাকাব্য, কাব্য, গাথা আদিত কিছুসংখ্যকহে পোৱা যায়।

প্ৰাক্ স্বৰাজ কালত চুলতানা ৰেজিয়া, চাঁদবিবি নুৰজাহান, অহল্যাবাঈ হোলকাৰৰ দৰে ৰাজবংশীয় আৰু অভিজাত পৰিয়ালৰ কেইগৰাকীমান মহিলাৰ বাহিৰে সৰ্বসাধাৰণ মহিলা ৰাজনীতিত অংশগ্ৰহণ প্ৰায় নাছিলেই বুলিব পাৰি।

গান্ধীজীৰ আহ্বানত যেতিয়া সমগ্ৰ দেশৰ জনতাই প্ৰাণ-আহুতি দিবলৈ আগুৱাই আহিছিল সৰ্বস্তৰৰ মহিলাই আন্দোলনৰ অংশীদাৰ আছিল। "শ শ নাৰীয়ে ৰাজনৈতিক গণ আন্দোলনত অংশ লোৱা সুৰাৰ দোকানত পিকেটিং কৰা, (সুৰা বেচিবলৈ বাধা দিয়া) বিক্ষোভ প্ৰদৰ্শনৰ শোভাযাত্ৰাত যোগ দিয়া, কাৰাবৰণ কৰা, লাঠি আৰু গুলীৰ সন্মুখীন হোৱা দৃশ্যবোৰ ভাৰতৰ সমগ্ৰ ইতিহাসত অদ্বিতীয় আছিল।

এনে স্বাধীনতা সংগ্ৰামী নাৰীৰ গৱেষিকা বীণা মজুমদাৰে লিখিছে— 'এই বিষয়ে কোনো সন্দেহ নাই যে আইন অমান্য আন্দোলনত নাৰীৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ (স্ত্ৰী পুৰুষৰ সমান অধিকাৰৰ কোনো প্ৰগতিবাদী মতবাদৰ পৰা নহয়। শেষ পৰ্যন্ত কংগ্ৰেছ দলৰ ভিতৰে আৰু পিছতো সংবিধান পৰিষদত স্ত্ৰী-পুৰুষৰ সমান অধিকাৰৰ সপক্ষে শক্তি বৃদ্ধি কৰিছিল। তাৰবাবেই এই প্ৰশ্ন বা তাৰ তাৎপৰ্যলৈ কোনো বিতৰ্কও আৰু নহ'ল।'

ঘৰুৱা দাসত্ব, পুৰুষতন্ত্ৰৰ পিষ্টন এইবোৰৰ পৰা মুক্তিৰ বাবে স্বাধীনতা আহৰণ ভাৰতীয় নাৰীৰ বাবে যিদৰে অত্যাৱশ্যকীয় বোধ হৈছিল তেনেদৰে তাক পাবলৈ ভোটাধিকাৰ অৰ্জনেৰে প্ৰথম ৰাজনৈতিক সমঅধিকাৰ লাভ এপাট অস্ত্ৰ হৈ পৰিছিল।

অৱশেষত বহুক্ষেত্ৰত মূৰকত সৰোজিনী নাইডুৰ নেতৃত্বত মাৰ্গাৰেট কাজিন, এনি বেচাণ্ট, ডৰোথি জিনাৰা দেশাই, উমা নেহেৰু, ৰমাবাঈ ৰাণাডে, অবলা বোস আদিৰ ৰাজনীতিৰ জগতত মহিলাৰ আগমনে দূষিত আৱহাৱা সুস্থ কৰা আৰু সন্তানৰ স্বাস্থ্যকৰ বিকাশত সহায় হোৱাৰ দাবীত আলেকজেণ্ডাৰ মুতিমেন কমিটীৰ সহায়ত ১৯২৫ চনত লিংগ বৈষম্যহীন ভোটাধিকাৰ প্ৰতিষ্ঠা হ'ল।

ভাৰতীয় নাৰীৰ ভোটাধিকাৰ অৰ্জনেই প্ৰথম ৰাজনৈতিক অধিকাৰ এই সম্পৰ্কত আলোচনা কৰিলে কেইটিমান গুৰুত্বপূৰ্ণ বিষয় এৰাই চলিলে নহ'ব। সেই সময়ত সংগঠিত নাৰীৰ চাপ অবিহনে ভোটাধিকাৰ নাৰীৰ বাবে ইমান সহজ নাছিল। অৱশ্যে ইয়াৰ দাবী অভিজাত মহিলাৰ বাবে প্ৰতিষ্ঠিত ক্ষমতা কাঠামোত স্থান লাভৰ বাহিৰে একো নহয় আৰু ইয়াক প্ৰতিষ্ঠা কৰি লেখিকা বীণা মজুমদাৰে কয় যে এই দাবীৰ সপক্ষে তেওঁলোকেই মুখৰ হৈ উঠিছিল যাৰ ওচৰত সামাজিক ৰাজনৈতিক কাঠামোটি নাৰীৰ নাৰী হিচাপে অংশগ্ৰহণৰ পৰা বিৰত ৰাখিছে। সেই সময়ত সমাজৰ নিয়ন্ত্ৰক শ্ৰেণীৰ পৰা তেওঁলোক আহিছিল যি শ্ৰেণীয়ে তেওঁলোকক অনাকৃষ্ট বিশেষণেৰে ভূষিত কৰিছে অৰ্থাৎ ৰাজনৈতিক ক্ষমতাত গ্ৰহণ আৰু প্ৰতিনিধিত্বকৰণৰ পৰা বঞ্চিত ৰাখিছে। এইসকলৰ ভিতৰত বিশেষকৈ নেতৃস্থানীয় সৰোজিনী নাইডুকে মুখ্য কৰি মাৰ্গাৰেট কাজিন, এনি বেচাণ্ট, ডৰোথি জিনাৰা দেশাই, উমা নেহেৰু, ৰমাবাঈ ৰাণাডে, অবলা বোস আদিয়ে চেক্ৰেটাৰীক সাক্ষাৎ কৰি নাৰী ভোটৰ সমঅধিকাৰৰ দাবী জনায়।

ভাৰতবৰ্ষত ব্ৰিটিছে উপনিবেশিক শক্তিৰূপেই অহা নাছিল। পশ্চিমীয়া ভাব আদৰ্শৰে প্ৰচাৰকৰ্তা হৈ আহিছিল। শিল্পযুগে ৰাজতন্ত্ৰ ভাঙি গণতন্ত্ৰ আনিলে। কৃষিকেন্দ্ৰিকতাৰ ঠাইত শিল্প কেন্দ্ৰিকতাৰ টনকিয়াল কৰিলে, গোষ্ঠীকেন্দ্ৰিকতাতকৈ ব্যক্তি মনস্কতাক, যৌথ পৰিয়াল ভাঙি একক পৰিয়ালৰ সৃষ্টি, সামন্ততন্ত্ৰৰ পৰা পুঁজিবাদলৈ পৰিবৰ্তন আনিলে। ইতিমধ্যে আমেৰিকাত নাৰীৰ অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলন আৰম্ভ হৈছে বিভিন্ন সভা-সমিতি গঠনেৰে তাৰেই প্ৰভাৱত ব্ৰিটিছে আনিলে ভাৰতলৈ স্ত্ৰী শিক্ষাৰ প্ৰচাৰ প্ৰতিষ্ঠা প্ৰসাৰ। ১৮৪৮ চনৰে জুলাই মাহত 'চেনেকা ফলচ, কনভেনচনে' কঢ়িয়াই অনা শিক্ষাত, সম্পত্তিত, উপাৰ্জনত সমঅধিকাৰ, বিবাহ বিচ্ছেদৰ অধিকাৰ, সন্তানৰ অভিভাৱকত্বৰ অধিকাৰ আৰু ভোটাধিকাৰৰ দাবী তাৰেই দীঘলীয়া কষ্টকৰ সংগ্ৰামৰ ফলশ্ৰুতিত ১৯২০ চনত পৃথিৱীৰ ২৬ খন ৰাষ্ট্ৰত নাৰীয়ে ভোটাধিকাৰ লাভ কৰিলে। ই আনিলে শৈক্ষিক ৰাজনৈতিক অধিকাৰৰ লগতে সকলো ধৰণৰ কৰ্মক্ষেত্ৰত প্ৰৱেশৰ অধিকাৰ। ইয়াৰ মূলতে সমাজবাদী ৰাষ্ট্ৰ চোভিয়েট ইউনিয়ন ১৯১৭ চনত প্ৰতিষ্ঠাই নাৰীৰ অৰ্থনৈতিক সামাজিক যোগ নিয়ন্ত্ৰণৰ সম্পূৰ্ণ অধিকাৰ স্থাপনেৰে শিশুৰ ভৰণ-পোষণৰ দায়িত্ব ৰাষ্ট্ৰই লৈ অৰ্থনৈতিক স্ব-নিৰ্ভৰসীলতাৰে মাতৃক ঘৰুৱা অবৈতনিক ক্ষেত্ৰৰ পৰা অব্যাহতি দি সেইবোৰ শ্ৰমক ৰাজহুৱা হিচাপে ঘোষণা কৰি উচিত শ্ৰম মূল্যৰে নিৰ্ধাৰিত কৰি দিয়াৰ ফলত নাৰীৰ অতিৰিক্ত শ্ৰমৰ বোজা কমি লিংগ বৈষম্যৰ উচ্ছেদ ঘটি নাৰী-পুৰুষৰ সমতা অধিকাৰ প্ৰতিষ্ঠা হ'ল।

ইতিমধ্যে ১৯২৭ চনত হোৱা সৰ্বভাৰতীয় নাৰী সন্মিলনত চাংলীৰ ৰাণীয়ে দিয়া ভাষণৰ পৰা অ' মেলিয়ে দিয়া উদ্ধৃতি উল্লেখ কৰি ক'ব পাৰি যে— 'যি মুহূৰ্তত কংগ্ৰেছ আৰু মহাত্মা গান্ধীয়ে কোনো জাতীয় প্ৰচেষ্টাৰ কাৰণে তেওঁলোকক আহ্বান জনাইছিল তেওঁলোকে উপলব্ধি কৰিছিল যে সিদ্ধপুৰুষজনে আৰু সৰ্বশ্ৰেষ্ঠ শক্তিটোৱে (কংগ্ৰেছ অনুষ্ঠান) তেওঁলোকৰ ওচৰত তেওঁলোকে পাব পৰা এপাত মূল্যবান অস্ত্ৰ হৈছিল।

এই নিখিল ভাৰত মহিলা সন্মিলনে ভিন্ন শিক্ষামূলক আৰু সমাজ-কল্যাণমূলক কাম কৰিছিল। ইয়াৰ ভিত্তিতেই পিছলৈ বিভিন্ন নাৰী সংগঠন নাৰীৰ ভিন্ন অধিকাৰ, লিংগ বৈষম্যৰ সামাজিক-সাংস্কৃতিক-আৰ্থিক-মনস্তাত্বিক ৰাজনৈতিক ক্ষেত্ৰবোৰৰ সংস্কাৰ সাধনেৰে কোনো কোনো ক্ষেত্ৰত বিদ্ৰোহৰে বিলুপ্তি ঘটাবলৈ আন্দোলনৰ পথ লৈ আহিছে। অৱশ্যে কংগ্ৰেছ চৰকাৰৰ দিনত পোনতে নাৰীৰ অধিকাৰ তলতীয়া সচিব, প্ৰাদেশিক বিধান সমগুলৰ উপাধ্যক্ষ স্থানীয় পৰিষদ, নগৰপালিকা সদস্য আদিৰ ক্ষমতাৰ ক্ষেত্ৰতহে নিৰ্দ্ধাৰিত আছিল। পিছলৈ স্বাধীনতাৰ পৰৱৰ্তী কালত এই ৰাজনৈতিক অৱৰোধ শিক্ষিতা, উদাৰ, সক্ষম অৰ্হতাসম্পন্ন, কৰ্মনিষ্ঠ, একাগ্ৰ, নিস্বাৰ্থ, সাহসী নাৰীৰ ক্ষেত্ৰতো বিভিন্ন ধৰণে ঘটি আহিছে। একক অথবা সংঘবদ্ধ প্ৰচেষ্টাৰে ৰাজনৈতিক অৱৰোধ ভাঙিবলৈ ভিন্ন ৰাজনৈতিক দলমতৰ সমৰ্থকে আগবাঢ়ি অহাৰ বাহিৰে সাধাৰণ ৰাইজৰ মাজত তেনে সংগঠিত শক্তিৰ অভাৱ দেখা যায়। অৱশ্যে পঞ্চায়ত বিধানসভা-লোকসভা, ৰাজ্যসভা, আদিত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ বিষয়টোৱে ৰাজনৈতিক অৱৰোধ ভঙাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে। ■

*(সমাপ্ত)*

### প্ৰসংগ সমল ঃ


১। সেনগুপ্ত গীতাশ্ৰী বন্দনা ঃ স্পন্দিত অৰ্ন্তলোক, প্ৰগেচিভ পাবলিশাৰ্স, কলকাতা- ১৯৯৯, পৃঃ ২৫

২। পূৰ্বোক্ত - পৃঃ ২৬/৩/ পূৰ্বোক্ত

৪। দত্ত ৰমেশ চন্দ্ৰ ঃ অনুবাদ - ঋগ্বেদ সংহিতা, দশম খণ্ড, হৰফ প্ৰকাশনী, কলকতা, ১৯৮৭, পৃঃ ৪৯৫।

৫। সেনগুপ্ত গীতাশ্ৰী বন্দনা — পূৰ্বোক্ত, পৃঃ ২৯

৬। পূৰ্বোক্ত, পৃঃ ৩১, ৭। পূৰ্বোক্ত

৮। মুখোপাধ্যায় কনক - উনবিংশ শতাব্দীৰ নবৌ প্ৰগতি ও ৰামমোহন বিদ্যাসগৰ ন্যাশনাল বুক এজেন্সি প্ৰাইভেট লিমিটেড, চতুৰ্থ প্ৰকাশ, কলকাতা - ১৯৯৫, পৃঃ ৪৩

৯। সেনগুপ্ত গীতাশ্ৰী বন্দনা, পূৰ্বোক্ত, পৃঃ ৩৬, ১১। পূৰ্বোক্ত, পৃঃ ৪৩৯, ১২। পূৰ্বোক্ত, পৃঃ ৪১, ১৩। পূৰ্বোক্ত, পৃঃ ৪৯, ১৪। পূৰ্বোক্ত, পৃঃ ৫৬, ১৫। পূৰ্বোক্ত, পৃঃ ৫৮, ১৬। পূৰ্বোক্ত, পৃঃ ৬৩, ১৭। দেশাই এ আৰ ভাৰতীয় জাতীয়তাবাদৰ সামাজিক পটভূমি (অনুবাদ - ৰাজগুৰু সৰ্বেশ্বৰ), কে. পি. বাগচী এণ্ড কোম্পানী, কলকাতা - ১৯৯৩, ১২৯০। পূৰ্বোক্ত, পৃঃ ৪১, ১৮।

সেনগুপ্ত গীতাশ্ৰী বন্দনা -পূৰ্বোক্ত, পৃঃ ৬৪, ১৯। পূৰ্বোক্ত, পৃঃ ৮৪, ২০। পূৰ্বোক্ত গ্ৰন্থ, ২১। নিয়োগা আশীষ (সম্পাদক) স্বাধীনতা আন্দোলন ও স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ আকাংখ্যা, আশংকা সম্ভাৱনা, জাতীয় গ্ৰন্থাগাৰ কৰ্মী সমিতি, কলকাতা - ১৯৯৮, প্ৰথম প্ৰকাশ, পৃঃ ২৯

২২। সেনগুপ্ত গীতাশ্ৰী বন্দনা - পূৰ্বোক্ত, পৃঃ ২৩৮

২৩। দেশাই এ আৰ পূৰ্বোক্ত, পৃঃ ২৯১

২৪। পূৰ্বোক্ত, পৃঃ ২৯০, ২৫। পূৰ্বোক্ত

২৬। দেশাই এ আৰ, পূৰ্বোক্ত, পৃঃ ২৮৯, ২৭। পূৰ্বোক্ত

২৮। সেনগুপ্ত গীতাশ্ৰী বন্দনা, পূৰ্বোক্ত, পৃঃ ২৩৮

২৯। দাস পুষ্পলতা, অগ্নিস্ৰাতা চন্দ্ৰপ্ৰভা, চেনেল বুক ট্ৰাষ্ট, প্ৰথম প্ৰকাশ, গুৱাহাটী - ১৯৯৮, পৃঃ ৮

৩০। গোহাই হীৰেন, সম্পাদক - নতুন পদাতিক, অসমীয়া দুইমহীয়া আলোচনী, চেপ্টেম্বৰ-অক্টোবৰ ২০০৩ গুৱাহাটী, পৃঃ ৬।, ৩১। দাস পুষ্পলতা, পূৰ্বোক্ত, পৃঃ ২৬

৩২। দেশাই এ আৰ, পূৰ্বোক্ত, পৃঃ ২৯৩

৩৩। চট্টোপাধ্যায় ৰত্নাৱলী (সম্পাদক) নিয়মীয়া গৌতম, ভাৰত ইতিহাস নাৰী কে পি বাগচী এণ্ড কোম্পানী, কলকাতা ১৯৮৯, পৃঃ ৫৯, ৩৪। পূৰ্বোক্ত, পৃঃ ৪৯

৩৫। শৰ্মা দীপ্তি-মুক্তি যুঁজত লুইতপৰীয়া নাৰী, ষ্টুডেণ্ট ষ্টৰ্চ, গুৱাহাটী ১৯৯৫, পৃঃ ৫০

৩৬। চট্টোপাধ্যায় ৰত্নাৱলী, নিয়োগী গৌতম - পূৰ্বোক্ত, পৃঃ ৪৯, ৩৭। পূৰ্বোক্ত, পৃঃ ৩৮, ৩৮। শৰ্মা দীপ্তি পূৰ্বোক্ত

৩৯। পূৰ্বোক্ত, ৪০। দেশাই এ. আৰ, পূৰ্বোক্ত, পৃঃ ২৯২।

## আশা, অংগনৱাড়ী আৰু মধ্যাহ্ন

(১৭ পৃষ্ঠাৰ পৰা)

আমি দাবী কৰিছো প্ৰতিদিনে ২৮৮ টকাকৈ মজুৰি প্ৰদানৰ ভিত্তিত এইসকল মহিলা শ্ৰমিকক মাহেকীয়া দৰ্মহা প্ৰদান কৰিব লাগে। অন্যথা দৈনন্দিন ব্যৱহৃত বয়বস্তুৰ চৰা দামৰ দিনত মহিলা শ্ৰমিকৰ পানীত হাঁহ নচৰা অৱস্থা হ'ব।

উল্লেখযোগ্য যে এন আৰ এইচ এম-ৰ আশা সকলৰ ভৱিষ্যৎ সম্পৰ্কত কোনো স্পষ্ট নীতি ঘোষণা নকৰা আৰু তেওঁলোকক চৰকাৰে দীৰ্ঘদিন ধৰি কৰি অহা প্ৰতাৰণাৰ বিৰুদ্ধে যোৱা ১০ ফেব্ৰুৱাৰী তাৰিখৰ পৰা একেৰাহে ৰাজ্যজোৰা ধৰ্মঘট কৰ্মবিৰতি, বন্ধ পালন কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে মহিলা আৰু শ্ৰমিকৰ শ্ৰমৰ মৰ্যাদা দিব নোৱাৰা গগৈ চৰকাৰে অত্যাৱশ্যকীয় সেৱা আইন ১৯৮০ ৰ অধীনত এই আন্দোলন নিষিদ্ধ কৰিছে। কং (ই) চৰকাৰৰ শ্ৰমিক বিৰোধী এনে হঠকাৰী সিদ্ধান্ত নিন্দনীয় আৰু গৰিহণাৰ যোগ্য। চৰকাৰৰ এনে সিদ্ধান্ত অংগনৱাড়ী, মধ্যাহ্ন ভোজনকে ধৰি অন্যান্য শ্ৰমজীৱী খণ্ডত চলি থকা ব্যাপক গণ আন্দোলনসমূহৰ বিৰুদ্ধেও গতি কৰিব।

সেয়ে চৰকাৰৰ এনে মহিলা আৰু শ্ৰমিক বিৰোধী পদক্ষেপৰ প্ৰতি আমি সচেতন হ'ব লাগিব। অন্যথা শ্ৰমজীৱী মহিলাসকলৰ আন্দোলনক বাদ দি এটা বহল মহিলা আন্দোলন কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। মহিলাৰ অধিকাৰৰ প্ৰতিটো সংগ্ৰামকে পৰিবৰ্ত্তনৰ বাবে শক্তিশালী মহিলা আন্দোলনলৈ ৰূপান্তৰ ঘটাব লাগিব। ■

## সব কা সাথ সবকা বিকাশ আৰু খ্ৰীষ্টমাছ

(১৫ পৃষ্ঠাৰ পৰা)

ইউনিয়ন মিনিষ্টাৰ অৱ ষ্টেত ফৰ লেবাৰ এণ্ড এমপ্লয়মেণ্ট মন্ত্ৰীয়েও ঘোষণা কৰিছে যে ২৫ ডিচেম্বৰ দিনটো তেওঁৰ মন্ত্ৰনালয়ে Good Governance Day হিচাপে পালন কৰিব।

অৰ্থাৎ সকলো মন্ত্ৰনালয়ে যীশুখ্ৰীষ্টৰ জন্মদিন জন্মদিন হিচাবে নহয়, আন কোনো বিশেষ অনুষ্ঠান হিচাপেহে দিনটো পালন কৰিব। যেনে, কালচাৰ আৰু টুৰিজ্যমৰ কেবিনেটমন্ত্ৰী মহেশ শৰ্মাই ২৫ ডিচেম্বৰ তাৰিখে পৰিষ্কাৰ-পৰিচ্ছন্নতা, আতিথ্যতা ইত্যাদিৰ গুৰুত্ব প্ৰচাৰ কৰিব।

আতিথ্যতাৰ কথা শুনি এসময়ৰ "স্বৰ সংঘচালক, চুপ্ৰীম লীডাৰ অৱ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ" মাধৱৰাও সদাশিব ৰাও গোলৱালকাৰে ১৯৬০ চনত বাংগালোৰত প্ৰদত্ত এক ভাষণত মুছলমান, খ্ৰীষ্টান, জু' পাৰ্চি ইত্যাদি সংখ্যালঘু সম্পৰ্কে কৈছিল যে এওঁলোকে ভাৰতত থাকিব অতিথি (Guests) হিচাপে ভূমি পুত্ৰ হিচাপে নহয় (but they are not children of the soil)"

বাতৰিত প্ৰকাশ ধৰ্মান্তৰ বিৰোধী আইন সম্পৰ্কত এখন সভাত বৰ্তমানৰ সুৰ সংঘ চালক মোহনভাগৱতে কোনো লুকঢাক নকৰি কৈছে যে "This is our country, our own Hindu rashtra (nation)."

এনেধৰণৰ মন্তব্য সম্পৰ্কে নৰেন্দ্ৰ মোদীৰ নীৰৱতা গভীৰ অৰ্থবহ।

দিল্লীত একাধিক গীৰ্জাৰ ওপৰত আক্ৰমণ হৈছে। দিল্লীৰ আট বিচপ J. T. Couto এ কৈছে "The attack reflects a lot on the govt. and its failure to give protection to minorities and their religious structure."

ভাৰতৰ প্ৰতিজন গণতান্ত্ৰিক মানৱতাবাদী মানুহে ভূপেন হাজৰিকাৰ সেই গীত গাব যি গীতত কোৱা হৈছে, "মানুহে মানুহৰ বাবে। যদিহে অকণো নেভাবে। অকণি সহানুভূতিৰে। ভাবিব কোনেনো কোৱা—সমনীয়া...।" ■

*(লেখক এজন প্ৰাক্তন শিক্ষক)*